# অসমৰ ধানৰ জাতসমূহ

www.rkbassam.in

অসমত অ'ৰাইজা চেটাইভা (*Oryza Sativa*) পৰিয়ালৰ, ইণ্ডিকা (*Indica*) প্ৰজাতিৰ ধানৰ খেতি কৰা হয়। ইয়াৰ উপৰিও বিভিন্ন দেশ, মহাদেশত বিভিন্ন প্ৰজাতিৰ ধানৰ খেতি কৰা হয়।

### ইণ্ডিকা ঃ (Indica)

অসমত প্ৰধানকৈ ইণ্ডিকা প্ৰজাতিৰ খেতি কৰা হয়। ইণ্ডিকাৰ পাতসমূহ পাতল সেউজীয়া বহলৰ পৰা ঠেক প্ৰস্থৰ আৰু ওখৰ পৰা মধ্যমীয়া দৈৰ্ঘ্যৰ। ইণ্ডিকা প্ৰজাতি অধিক পোখাযুক্ত, বীজসমূহৰ আকাৰ দীঘলীয়াৰ পৰা চুটি, মিহি, সমান আৰু শুংমুক্ত।

| ধানৰ শ্ৰেণী | খেতি কৰা সময় | জীৱনকাল | বিৱৰণ |
|---|---|---|---|
| (ক) আহু | মাৰ্চ/এপ্ৰিল | ৮০-১৩০ | হ্ৰস্বম্যাদী, সাধাৰণতে ছটিয়াই কৰা, বিভিন্ন জল গভীৰতাত কৰা হয়, (০-২০ চেঃমিঃ) বৰাক উপত্যকাত এই জাতক ডুমাই, মুৰলি আৰু চেংগৰি হিচাপে ভাগ কৰা হয়। |
| ডুমাই | মাৰ্চ/এপ্ৰিল | ৮০-৯০ | ছটিয়াই কৰা হয়, বগা বীজযুক্ত। |
| মুৰলি | মাৰ্চ/এপ্ৰিল | ৯০-১০০ | ছটিয়াই কৰা হয়, বগা বীজযুক্ত। |
| চেংগৰি | মাৰ্চ/এপ্ৰিল | ৯০-১০০ | ছটিয়াই কৰা হয়, বগা বীজযুক্ত। |
| আহু(সংৰোপিত) | মাৰ্চ/এপ্ৰিল | ১০০ | সংৰোপণ কৰা হয় |
| (খ)শালি (শীতকালীন) | জুন/জুলাই নৱেম্বৰ,ডিচেম্বৰ | ১৫০-১৮০ | পোহৰ সংবেদনশীল, দীৰ্ঘম্যাদী, বিভিন্ন জলগভীৰতাত সংৰোপণ (০-৩০ চেঃমিঃ) বীজৰ চৰিত্ৰৰ ওপৰত নিৰ্ভৰ কৰি কৰা হয়। ইয়াৰ কিছুমান উপশ্ৰেণী আছে। যেনে, শালি, লাহি, জহা, বৰা আৰু চকোৱা। |
| | জুন/জুলাই নৱেম্বৰ,ডিচেম্বৰ | ১৫০-১৮০ | বৰাক উপত্যকাত মোটা ধানৰ চাউলক শাইল বুলি কোৱা হয়। |
| লাহি | জুন/জুলাই নৱেম্বৰ,ডিচেম্বৰ | ১৫০-১৮০ | মজলীয়া আকাৰৰ চাউল |
| জহা | জুন/জুলাই নৱেম্বৰ,ডিচেম্বৰ | ১৫০-১৮০ | সুগন্ধিযুক্ত আৰু মিহি চাউল |
| বৰা | জুন/জুলাই নৱেম্বৰ,ডিচেম্বৰ | ১৫০-১৮০ | আঠাযুক্ত, বৰাক উপত্যকাত ইয়াক বিৰেইন বুলি কোৱা হয়। |
| চকোৱা | জুন/জুলাই নৱেম্বৰ,ডিচেম্বৰ | ১৫০-১৮০ | কম এমাইলজযুক্ত **(Amylose)**কোমল চাউল |
| আহুবা | এপ্ৰিল/মে' ডিচেম্বৰ/জানুৱাৰী | ২৪০-২৭০ | মধ্যমীয়া জল গভীৰতাত কৰিব পৰা ধান। দ অঞ্চলসমূহত সিঁচি বা সংৰোপণৰ দ্বাৰা এই খেতি কৰা হয়। ১০০ চেঃমিঃ গভীৰতাৰ পানী সহ্য কৰিব পাৰে। এই জাতটো আহুধান সিঁচাৰ সময়ত সিঁচা হয় আৰু শালি ধান চপোৱা সময়ত চপোৱা হয়। |
| বাও | এপ্ৰিল/মে ডিচেম্বৰ জানুৱাৰী | ২৭০-৩০০ | দ' পানীত বা উপঙাই কৰিব পৰা ধান । সাধাৰণতে সিঁচি এই খেতি কৰা হয়। ই ১০০ চেঃমিঃ তকৈ অধিক গভীৰতা সহ্য কৰিব পাৰে। আহু ধান সিঁচাৰ সময়তে এই ধান সিঁচা হয়। শালি ধান চপোৱাৰ সময়তে চপোৱা হয়। |
| (গ) বোৰো গ্ৰীষ্মকালীন ধান | নৱেম্বৰ-মে/জুন | ১৮০-২০০ | ই পোহৰ অসংবেদনশীল, গছৰ শ্ৰীবৃদ্ধিকালত শীত সহ্য কৰিব পৰা ক্ষমতা, সংৰোপণৰ দ্বাৰা কৰা হয়। সাধাৰণতে বিল আৰু জলাশয়ত নূন্যতম বা কৰ্ষণবিহীনভাৱে কৰা হয়। |
| জুম খেতি | মাৰ্চ/এপ্ৰিল ছেপ্তেম্বৰ/অক্টোবৰ | ২১০-২৫০ | পোহৰ অসংবেদনশীল। পাহাৰৰ খাপ বিলাকত পোনপটীয়াকৈ বীজ সিঁচি এই খেতি কৰা হয়। |

**আধুনিক ধানৰ জাতঃ**

**আন্তঃপ্ৰজননঃ** ইয়াৰ অৰ্থ হৈছে এই জাতসমূহৰ পৰৱৰ্তী প্ৰজন্মসমূহৰ আনুবংশিক বিন্যাস মাতৃ গছৰ লগত একে ধৰণৰ হয়। প্ৰথমতে কেইবাটাও চক্ৰ স্বপৰাগসংযোগ ঘটাই বা আন্তঃপ্ৰজননৰ দ্বাৰা আনুবংশিক সমতা স্থাপন কৰা দুটা বা অধিক জাতৰ মাজত সংকৰণ ঘটাই পৰৱৰ্তী প্ৰজন্ম সমূহ উদ্ভাৱন কৰোৱা হয়। এই প্ৰজন্মসমূহৰ বাচনিৰ দ্বাৰা Pure line উদ্ভাৱন কৰা হয়।

**বৰ্ণসংকৰ জাতঃ** এই জাতসমূহে আধুনিক শস্য জাত সমূহতকৈ অধিক উৎপাদনশীল হয়।

**ট্ৰেন্সজেনিক (Transgenic) ধানঃ** এই জাতসমূহত জিনতত্ব প্ৰযুক্তিৰ কৌশলৰ দ্বাৰা বহিঃজিন আনি সংস্থাপন কৰা হয়।

Rice Fact Sheet



The opinions expressed in this publication are those of the authors. They do not purport to reflect the opinions or views of the IRRI. *Attribution – Non Commercial-Share Alike 3.0 (Unported)*

The World Bank is the funding agency of APART
Department of Agriculture, Assam is the nodal department for implementation of APART
ARIAS Society is the State level coordinating and monitoring agency for APART
Assam Agricultural University is the leading Agricultural University of the State and implementing agency of APART, imparting research and scientific support.
International Rice Research Institute (IRRI) is the rice global leader providing technical and hand-holding support in the implementation of APART